# এটা শৃংখলিত জীৱনৰ অব্যক্ত গাথা

**জে'ন** অষ্টেন—ইংৰাজী সাহিত্যৰ অধ্যয়নকাৰীসকলৰ বাবে এটা চিনাকি নাম। অষ্টাদশ শতিকাৰ ইংৰাজী সাহিত্যত যি কেইগৰাকী লেখিকাই নিজৰ পদচিহ্ন এৰি গৈছিল তাৰ ভিতৰত জেন অষ্টেন অগ্ৰণী। দুকুৰি এবছৰ কালৰ চুটি জীৱনকালত এইগৰাকী লেখিকাই ঔপন্যাসিকৰূপে যি কৃতি আগবঢ়াই গ'ল সিয়ে তেওঁৰ সমকালীন ইংৰাজ সমাজখন আৰু সেই সমাজখনত বৰ্তি থকা নাৰীসকলৰ জীৱন আৰু চেতনা জগতৰ বৰ্ণাঢ্য দিশসমূহ চিত্ৰিত কৰিছে। মন কৰিবলগীয়া দিশ যে তেওঁৰ উপন্যাসৰ প্লটসমূহৰ মাজেদি নাৰী জীৱনৰ সেই সংগ্ৰাম আৰু প্ৰয়াস পৰিস্ফুট হয় য'ত সন্তোষজনক সামাজিক স্থিতি আৰু নিৰাপত্তাৰ বাবে নাৰীয়ে বিবাহকে একমাত্ৰ মাধ্যমৰূপে গণ্য কৰে। সেইখন সমাজত নাৰীৰ



**সাহিত্যৰ ৰূপৰেখা**

**ড° নিভাৰাণী ফুকন**




ব্যক্তি স্বাধীনতা বুলি কোনো কথাই নাছিল, এনেকি জে'ন অষ্টেনৰ ভালেমান স্ত্ৰী চৰিত্ৰৰ মাজেদি এনে চিত্ৰও উন্মোচিত হয়, য'ত এইটো প্ৰত্যক্ষ কৰিব পাৰি যে কেতবোৰ নাৰী মানসিকভাৱেও শৃংখলিত আৰু পুৰুষতান্ত্ৰিক সমাজৰ নিয়ম-শৃংখলাৰ অধীন ঔপন্যাসিকা জে'ন অষ্টেনে তেওঁৰ সমকালীন সমাজৰ এই ত্ৰুটি-বিচ্যুতিসমূহক অতি সূক্ষ্মভাৱে নিৰীক্ষণ কৰি সেইসমূহ নিজৰ উপন্যাস কৃতিসমূহত যথাযথ স্থানত প্ৰয়োগ কৰিছিল। তীক্ষ্ণ শ্লেষৰ লগতে বাস্তৱবাদী সমাজ সমালোচনাৰ যি ধাৰা অষ্টেনৰ উপন্যাসত দৃষ্টিগোচৰ হয়, সিয়ে পৰৱৰ্তী কালত তেওঁৰ ৰচনাকৃতিৰ মহত্ত্ব আৰু ঐতিহাসিক গুৰুত্ব বিচাৰত মনোনিবেশকাৰী সমালোচক আৰু গৱেষকসকলক যথেষ্ট উপকৃত কৰিছে।

এই কথাষাৰৰ আঁত ধৰি যদি আমি জে'ন অষ্টেন নামৰ অষ্টাদশ শতিকাৰ এইগৰাকী বিশিষ্ট ইংৰাজ ঔপন্যাসিকাৰ জীৱন পৃষ্ঠাসমূহত চকু ফুৰাবলৈ প্ৰয়াস কৰো, তেতিয়াহ'লে আমি বহুত ক্ষেত্ৰতে অলক্ষ্যণীয় বাধাৰ মুখামুখি হ'ব লাগিব। প্ৰসংগটো বিদ্যায়তনিক দিশৰ পৰাও এটি গহীন বিষয়। আজিৰ সময়ত ন ন আৱিষ্কাৰ, উদ্ভাৱনৰ দিনত নতুন নতুন পদ্ধতিৰে অন্যান্য ক্ষেত্ৰৰ পুৰোধা ব্যক্তি বা তেওঁলোকৰ সৃষ্টিৰ লগতে সাহিত্য ক্ষেত্ৰৰ অগ্ৰণী সকলৰো বিচাৰ-বিশ্লেষণ আৰম্ভ হৈছে। অতীতৰ সেই মহৎসকলৰ মূল্যায়নৰ ক্ষেত্ৰত তেওঁলোকৰ ব্যক্তিগত



জীৱনৰ সমলসমূহ কামত আহে। তাৰ ভিতৰত তেওঁলোকৰ ৰচনা কৃতি, হস্ত লিখিত বা প্ৰকাশিত টোকা, চিঠিপত্ৰ, স্মৃতি কথা, বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত হোৱা প্ৰসংগ, তেওঁলোকৰ পাৰিবাৰিক তথা সামাজিক সম্বন্ধ ইত্যাদি। সেই সকলো তথ্যৰ পৰীক্ষা-গৱেষণা-বিশ্লেষণে ব্যক্তিবিশেষৰ সামাজিক ৰূপৰ লগতে পাৰিবাৰিক জীৱনত ব্যক্তিগৰাকীৰ অস্তিত্ব তথা প্ৰভাৱ সম্পৰ্কেও জানিবলৈ সুযোগ প্ৰদান কৰে। এতিয়া, আমি জে'ন অষ্টেনৰ প্ৰসংগলৈ পুনৰ ঘূৰি আহিলে দেখিবলৈ পাওঁ যে এইগৰাকী বিশেষ লেখিকাৰ ক্ষেত্ৰত তেনে প্ৰকল্প বা পৰিকল্পনা ৰূপায়ণ কৰা কিছু কষ্টকৰ হ'ব। তাৰ কাৰণটো হ'ল যে মৃত্যুৰ পৰৱৰ্তী কালত খ্যাতি অৰ্জা এইগৰাকী ইংৰাজ লেখিকাই যিখন সমাজ আৰু যিটো অভিজাত পৰিয়ালত জন্মগ্ৰহণ কৰিছিল, সেই পৰিয়ালটোৰ সদস্যাসকলৰ দূৰদৰ্শিতাৰ অভাৱৰ বাবেই হওঁক বা প্ৰচলিত সময়ত বিশ্বাস- অনুশাসন ভংগৰ অজুহাততেই হওক, তেওঁলোকৰ পৰিয়ালৰ এইগৰাকী গুণী সদস্যাৰ জীৱনৰ বহুতো কথা 'গোপন' কৰিলে। গৱেষণাৰ দৃষ্টিভংগীৰে বিচাৰ কৰিলে কোনো কৃতবিদ্য ব্যক্তিৰ জীৱন, আদৰ্শ তথা তেওঁৰ সৃষ্টিশীল প্ৰতিভাৰ উৎস আৰু তাৰ লগত জড়িত অন্যান্য আনুষংগিক দিশসমূহৰ বিষয়ে জনাত তেওঁ লিখা চিঠিপত্ৰ আৰু অন্যান্য টোকা, দিনলেখা আদি অতি মূল্যবান সমল। সেই সমলসমূহৰ বিশ্লেষণ আৰু সূক্ষ্ম পৰীক্ষণৰ মাজেদি সৃষ্টিশীল ব্যক্তিগৰাকীৰ ব্যক্তিগত জীৱন আৰু তেওঁৰ চিন্তা-চেতনাৰ জগতখনৰ অন্তৰ্ভাগলৈ জুমি চাব পাৰি। আধুনিক সময়ৰ গৱেষক-বিশ্লেষক-সমালোচকসকলৰ বাবে সেয়াও এক অনন্য সাধনা।

এই ক্ষেত্ৰত জেন অষ্টেনৰ জীৱনৰ খুটি-নাটি দিশ আৰু তেওঁৰ মনোজগতত সুপ্ত হৈ থকা নাৰী হৃদয়ৰ অপাৰ ভাবৰাশিৰ অন্বেষণত ৰত অনুসন্ধানকাৰী দল কিছু হতাশ হ'ব। ইয়াৰ কাৰণ এইটোৱেই যে জীৱিতকালৰ অষ্টেনে তিনি সহস্ৰাধিক চিঠিপত্ৰ তেওঁৰ সম্পৰ্কীয় তথা বন্ধু-বান্ধৱৰ লগত আদান-প্ৰদান কৰিছিল যদিও সেই চিঠি-পত্ৰৰ ভিতৰত মাত্ৰ ১৬০খন মানহে সংৰক্ষিত হৈ থকাৰ কথা আলোচকসকলে উল্লেখ কৰিছে। তেওঁৰ বায়েক কাচান্দ্ৰালৈ জে'নে বহুতো চিঠি লিখিছিল যদিও জে'নৰ মৃত্যুৰ পাছত তেওঁ লিখা বুজনসংখ্যক চিঠি বায়েকে জ্বলাই ধ্বংস কৰি পেলাইছিল। কাচান্দ্ৰাৰ দৃষ্টিত জে'নৰ সেই স্পষ্টবাদী, পোনপটীয়া ভাষাৰ চিঠিত সন্নিৱিষ্ট হোৱা মন্তব্য বা বিষয়ে পৰিয়াল-পৰিজন আৰু সুহৃদসকলৰ বহুতৰে অন্তৰত আঘাত দিব পাৰে বা তেনে বক্তব্যৰ প্ৰকাশে পৰিয়ালৰ বিভিন্ন জনৰ মাজত মনোমালিন্যৰ ভাব সৃষ্টি কৰাৰ সম্ভাৱনা অধিক। তদুপৰি পৰিয়ালৰ উঠি অহা ভাগিন-ভতিজা-ভতিজীসকলে জে'নৰ সেই চিঠিবোৰ পঢ়িলে তেওঁলোকৰ মন-মগজুত কিবা প্ৰকাৰৰ 'বিৰূপ প্ৰতিক্ৰিয়া' সৃষ্টিৰ আশংকাও নোহোৱা নহয়। সেইবাবে কাচান্দ্ৰাই সেই কঠিন সিদ্ধান্ত গ্ৰহণ কৰিছিল।

পিছে পটুৱৈ সমাজে জে'নে লিখা উপন্যাস কেইখনলৈ সূক্ষ্মভাৱে দৃষ্টি নিক্ষেপ কৰিলে এইটো উপলব্ধি কৰিব যে ঔপন্যাসিকাই তেওঁৰ ৰচনাসমূহত যিখন ইংৰাজ সমাজৰ চিত্ৰ অংকন কৰিছে তাত সচৰাচৰ পৰিয়াল বা বংশৰ কিবা ত্ৰুটিপূৰ্ণ দিশ থাকিলে তাক অতি যত্নৰে লুকুৱাই থ'বলৈ চেষ্টা কৰা হৈছিল। সেই কদৰ্য-কালিমাসমূহ লুকুৱাই সাধুতা আৰু সৌন্দৰ্যৰ কৃত্ৰিম প্ৰলেপ সানি সমাজত নিজকে সন্মানীয় ব্যক্তিৰূপে প্ৰতিপন্ন কৰিবলৈ চলোৱা প্ৰতিযোগিতাৰ নমুনা জে'ন অষ্টেনৰ কে'বাখনো উপন্যাসত দৃষ্টিগোচৰ হয়। অষ্টেন গৱেষক পণ্ডিত জে ফাৰগাচে এই প্ৰসংগত উল্লেখ কৰিছে যে বংশ-পৰিয়ালে জে'ন অষ্টেনৰ জীৱনৰ মনোৰম দিশটোৰ প্ৰকাশত অহৰহ জোৰ দিছিল যদিও সেই নাৰীগৰাকীয়ে 'কোনো কোনো মুহূৰ্তত তিক্ততাৰে ভাৰাক্ৰান্ত এগৰাকী আশাহত নাৰীৰূপে এটা অসহ্যকৰ উচ্ছৃংখল পৰিয়ালত স্থিতি লাভ কৰি চটফটাইছিল।'

ফাৰগাচৰ কথাৰ আঁত ধৰি বিচাৰ কৰিলে কাচান্দ্ৰাৰ যুক্তি তৰল আৰু ৰক্ষণশীল তথা কিছু পৰিমাণে নাৰীসুলভ ঈৰ্ষাৰ ছিটিকনি থকা বক্তব্য বুলি ধাৰণা নকৰি নোৱাৰি। কাচান্দ্ৰাক জে'নে ভগ্নীৰ লগতে এগৰাকী পৰম মিত্ৰৰূপে গণ্য কৰিছিল। এই প্ৰসংগতে আমাৰ মনলৈ আহে ফ্ৰাঞ্জ কাফ্কা আৰু তেওঁৰ পৰম মিত্ৰ মেক্স ব্ৰ'ডৰ কথা যি মেক্স ব্ৰ'ডে কাফ্কাৰ অনুৰোধ উপেক্ষা কৰি তেওঁৰ সৃষ্টি কৰ্মৰাজি ধ্বংস নকৰি কাফ্কাৰ মৃত্যুৰ পাছত সেই ৰচনাসমূহ প্ৰকাশ কৰি প্ৰকৃত বন্ধুত্বৰ পৰিচয় দিয়ে। আজি পৃথিৱীবাসী মেক্স ব্ৰ'ডৰ ওচৰত কৃতজ্ঞ কাৰণ তেওঁ কাফ্কাৰ অন্তিম ইচ্ছা পূৰণ কৰাহেঁতেন কাফ্কা নামৰ অমিত প্ৰতিভাশালী লেখকৰ ৰচনা পঢ়াৰ পৰা বিশ্ববাসী বঞ্চিত হ'লহেঁতেন।

জে'ন অষ্টেনৰ জীৱনলৈ প্ৰেম আহিছিল নে? এই প্ৰশ্নটোৰ উত্তৰ হিচাপে ক'ব পাৰি যে তেওঁৰ জীৱনলৈকো প্ৰেম আহিছিল এজন তৰুণ উদ্যমী যুৱক থমাছ লেংলোহিচ লেফৰয়ৰ ৰূপত। থমাছ লেংলোহিচ লেফৰয় আৰু জে'ন অষ্টেনৰ মাজত এটা মধুৰ সম্পৰ্ক গঢ়ি উঠিছিল; কিন্তু সেই সম্পৰ্ক স্থায়ী নহ'ল। দুয়োগৰাকীৰ পৰিয়ালৰ সদস্যসকলে যেন সেই সম্পৰ্কক স্বীকৃতি দিব খোজা নাছিল। থমাছৰ পৰিয়ালে পাৰ্যমানে তেওঁক অষ্টেনৰ পৰা দূৰৈত ৰাখিবলৈ চেষ্টা চলাইছিল। পৰৱৰ্তী সময়ত জে'ন অষ্টেনৰ বিষয়ে গৱেষণা কৰা পণ্ডিতসকলে মত ব্যক্ত কৰে যে অষ্টেনে ৰচনা কৰা ক্লাচিক উপন্যাস Pride and Prejudice-ৰ অন্যতম পাত্ৰ-পাত্ৰী মিঃ ডাৰ্চি আৰু এলিজাবেথ বেনেট লেফ্ৰয় আৰু জে'নৰ চৰিত্ৰ আধাৰিত। পাৰ্থক্য মাথোন ইমানেই যে লেফ্ৰয়ৰ স্ফূৰ্তিবাজ স্বভাৱটো উপন্যাসত এলিজাবেথ চৰিত্ৰটোক প্ৰদান কৰিছে আৰু জে'নৰ সংযত হাব-ভাব ডাৰ্চি চৰিত্ৰটোক প্ৰদান কৰিছে। থমাছ লেফ্ৰয়ে ওকালতি বৃত্তি গ্ৰহণ কৰিছিল। জে'নৰ মৃত্যুৰ বাতৰি পাই তেওঁ আয়াৰলেণ্ডৰ পৰা ইংলণ্ডলৈ তেওঁক অন্তিম শ্ৰদ্ধা জনাবলৈ আহিছিল। তেওঁ আনকি, জে'নৰ মৃত্যুৰ পাছত কাডেল প্ৰকাশনে নিলাম কৰা Cadell's Papers ৰ নিলামৰ সময়ত কাডেল প্ৰকাশনে জে'ন অষ্টেনৰ উপন্যাস Pride and Prejudice ৰ প্ৰথম সংস্কৰণ- First Impression ৰ প্ৰত্যাখ্যান পত্ৰখন নিলামত কিনি লৈছিল। মন কৰিবলগীয়া যে তেওঁ মূল পত্ৰখন কিনিছিল। তাৰ প্ৰতিলিপি ক্ৰয় কৰা নাছিল। বৃদ্ধ বয়সত তেওঁ তেওঁৰ ভতিজাকৰ আগত অকপটভাৱে কৈছিল যে তেওঁ জে'ন অষ্টেনৰ প্ৰেমত পৰিছিল। পিছে সেই প্ৰেমক তেওঁ 'ল'ৰামতীয়া' প্ৰেমৰূপে আখ্যা দিছিল। এতিয়া প্ৰশ্ন হ'ল সেই প্ৰেম যদি ল'ৰামতীয়া প্ৰেম তেতিয়াহ'লে তেওঁ আন্তৰিকতাৰে জে'নৰ মৃত্যুৰ পাছত যি আচৰণ প্ৰদৰ্শন কৰিছিল সিয়ে অন্য কিছুমান অব্যক্ত ভাবনা-চিন্তাৰ প্ৰতিহে আঙুলিয়ায়। জে'ন অষ্টেনৰ পত্ৰসমূহ সংৰক্ষিত হৈ থকাহেঁতেন তেওঁলোক দুয়োৰে সম্পৰ্কজনিত বহুতো অব্যক্ত কথা প্ৰকাশ পালোহেঁতেন। পৰৱৰ্তী জীৱনত প্ৰতিষ্ঠা লাভ কৰা থমাছ লেংলোহিচ লেফ্ৰয় এগৰাকী আইৰিচ হিউগনট ৰাজনীতিবিদ আৰু বিচাৰক আছিল। তেওঁ ডাব্লিন বিশ্ববিদ্যালয় সমষ্টিৰ পৰা ১৮৩০-১৮৪১লৈকে এগৰাকী সাংসদৰূপে কাৰ্যনিৰ্বাহ কৰিছিল। সেইদৰে ১৮৩৫-১৮৬৯লৈ তেওঁ আয়াৰলেণ্ডৰ প্ৰিভি কাউঞ্চিলৰ ৰূপে আৰু ১৮৫২-১৮৬৬লৈ আয়াৰলেণ্ডৰ মুখ্য ন্যায়াধীশৰূপে কাৰ্যনিৰ্বাহ কৰিছিল। প্ৰতিকূলতাৰ বিৰুদ্ধে থিয় হৈ জে'ন অষ্টেনে মনৰ মানুহ থমাছৰ লগত মিলিত হ'ব পৰাহেঁতেন কিজানি জে'ন অষ্টেনৰ ব্যক্তিগত জীৱনৰ অব্যক্ত নিঃসংগগাথা সুকীয়া হ'লহেঁতেন। জে'নৰ আকুল হৃদয়ৰ সেই অসম্পূৰ্ণ আশা হয়তো তেওঁৰ মৃত্যুৰ পাছত প্ৰকাশ পোৱা উপন্যাস Persuasion ৰ কেন্দ্ৰীয় চৰিত্ৰ এন এলিয়ট আৰু তেওঁৰ ভাবী জীৱনসংগী কেপ্টেইন ৱেন্টৱৰ্থৰ ভৱিষ্যৎ প্ৰতিশ্ৰুতি সম্পন্ন আশাৰ মাজেদি ফুটি উঠিছিল।


neevarani11@gmail.com